# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-12-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ৰাজ্য চৰকাৰে কাইলৈ নতুন বছৰৰ পহিলা দিনটোত গুৱাহাটী মহানগৰীত কেইবাকোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এখন পদপথ সেঁতু আৰু অবিভক্ত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ আৱক্ষ মূৰ্তি ৰাইজৰ নামত উৎসৰ্গা কৰিব। গুৱাহাটী মহানগৰীৰ পল্টন বজাৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ জি এছ্ ৰোডৰ ওপৰত প্ৰায় ১৬ কোটি ৬৭ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা অত্যাধুনিক পদপথ সেঁতুখনে গুৱাহাটী ৰে'ল ষ্টেচনলৈ যাবলগীয়া পথচাৰীসকলৰ যাত্ৰা সুগম কৰিব। এই সেতুখনত দিব্যাংগসকলৰ বাবে লিফ্ট আৰু মহিলা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে এস্কেলেটৰৰ সুবিধা ৰখা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ পুৱাৰ ভাগত এই পদসেতুখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে কাইলৈ ভাৰতৰত্ন সন্মানেৰে সন্মানিত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সমাধি-শান্তিস্থলত নিৰ্মাণ কৰা তেওঁৰ আৱক্ষ প্ৰতিমূৰ্তি আৰু নতুন পুথিভঁৰাল ভৱনো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উল্লেখযোগ্য যে গুৱাহাটী মহানগৰীৰ শিলপুখুৰী নৱগ্ৰহ শ্মশানৰ দাঁতিতে লাগি থকা এই শান্তিস্থলৰ পুনৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে প্ৰায় ১ কোটি ২৬ লাখ টকা ব্যয় কৰিছে। এই শান্তিস্থলত পুথিভঁৰাল ভৱন, শোভাবৰ্ধক প্ৰৱেশদ্বাৰ আৰু সীমা দেৱাল, শিশুৰ খেল ধেমালি ক্ষেত্ৰ আদিৰ সু-ব্যৱস্থা থাকিব। কাইলৈৰ উদ্বোধনী অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া উপস্থিত থাকিব।

ooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত খানাপাৰাত অনুষ্ঠিত অসম গ্ৰন্থমেলাত আজি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠেংছিক অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা প্ৰদান কৰা হয়। 'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসখনৰ বাবে ২০০৫ চনত সাহিত্য একাডেমী বঁটা লাভ কৰা সাহিত্যিকগৰাকীক 'ধাৰ আৰু অন্যান্য গল্প' শীৰ্ষক সংকলনটোৰ কাৰণে অসম প্ৰকাশন পৰিষদ বঁটা আগবঢ়োৱা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি অসম গ্ৰন্থমেলাৰ পঞ্চম দিনা শ্ৰী ঠেংছিক এই বঁটা প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিকগৰাকীয়ে অৰুণাচল প্ৰদেশত নৱ প্ৰজন্মৰ মাজত সাহিত্য চৰ্চাৰ কাৰণে তেওঁ একাধাৰে নিৰৱচ্ছিন্নভাৱে হাতত লোৱা প্ৰচেষ্টাসমূহৰ বিষয়ে উল্লেখ কৰে। আজিৰ অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতা, পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থাৰ সভাপতি ধীৰাজ গোস্বামীকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

বিশিষ্ট চিত্ৰশিল্পী দিলীপ তামুলীলৈ ২০২৪ বৰ্ষৰ প্ৰণৱ বৰুৱা শিল্পী বঁটা আগবঢ়োৱা হৈছে। চিত্ৰকলা আৰু ভাস্কৰ্যৰ ক্ষেত্ৰত জীৱনজোৰা সাধনাৰ স্বীকৃতি হিচাপে দিলীপ তামুলীলৈ এই বঁটা আগবঢ়োৱা হৈছে।

২০০২ চনৰ পৰা প্ৰয়াত চিত্ৰশিল্পী প্ৰণৱ বৰুৱাৰ স্মৃতিত প্ৰতি বছৰে উত্তৰ পূৰ্বাঞ্চলৰ একোগৰাকী শিল্পীলৈ এই বঁটা প্ৰদান কৰি অহা হৈছে। এই বঁটাত আছে - এটা স্মাৰক, এখন প্ৰশস্তি পত্ৰ আৰু নগদ ২৫ হাজাৰ টকা। উল্লেখযোগ্য যে ১৯৫৮ চনত মাজুলীত জন্মগ্ৰহণ কৰা শিল্পী দিলীপ তামুলীয়ে শান্তি নিকেতনৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ পৰা গ্ৰাফিক্সৰ স্নাতকোত্তৰ ডিপ্ল'মা অৰ্জন কৰে। গুৱাহাটীৰ চৰকাৰী চাৰুকলা মহাবিদ্যালয়ত অৱসৰ গ্ৰহণ কৰা শিল্পীজনে ৰাজ্যৰ চিত্ৰকলাৰ ক্ষেত্ৰখনলৈ বহু বৰঙণি আগবঢ়াইছে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সহকাৰী অভিযন্তা অমিত পাল, অভিযান্ত্ৰিক সহায়ক নজমুল হক আৰু উচ্চ বৰ্গৰ সহায়ক ৰঞ্জিত কুমাৰ জ্যোতিয়ে আজি অৱসৰ গ্ৰহণ কৰিছে। অমিত পালে ১৯৮৮ চনত আকাশবাণীৰ আইজল কেন্দ্ৰত যোগদান কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৮টা আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰত সেৱা আগবঢ়ায়। নজমুল হকে ১৯৮৮ চনত দূৰদৰ্শনৰ উখৰুল কেন্দ্ৰত যোগদান কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৫টা আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰত সেৱা আগবঢ়ায়। ৰঞ্জিত কুমাৰ জ্যোতিয়ে ১৯৯৩ চনত গুৱাহাটী দূৰদৰ্শনত যোগদান কৰি পৰৱৰ্তী কালত আকাশবাণী তুৰা আৰু গুৱাহাটী কেন্দ্ৰত সেৱা আগবঢ়ায়। আজি বিয়লি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সভাকক্ষত আয়োজিত এখন বিদায় সভাত কেন্দ্ৰটোৰ বিষয়া-কৰ্মচাৰীসকলে তিনিওগৰাকী সহকৰ্মীক আন্তৰিকভাৱে বিদায় সম্ভাষণ জনায়।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত উভতি চাওঁ-২০২৪ শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত এই বছৰত বাতৰিৰ শিৰোনাম দখল কৰা কেইবাটাও উল্লেখযোগ্য ঘটনা আৰু এইসমূহৰ প্ৰভাৱ সম্পৰ্কত ষ্টুডিঅ'ত উপস্থিত থকা আলোচকসকলে মতামত আগবঢ়াব।

বিশিষ্ট চলচ্চিত্ৰ সমালোচক, লেখক উৎপল দত্ত, জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰ কুমাৰ চৌধুৰী আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

ooooo

সমাপ্ত